participation, conservation, empowerment, livelihood security
ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

afd
AGENCE FRANÇAISE DE DÉVELOPPEMENT

# মাজবাম যুটীয়া বন পৰিচালনা সমিতি
# (জে এফ এম চি)

**ডিব্ৰুগড় সংমণ্ডল, ডিব্ৰুগড়**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৭-১৮ৰ পৰা ২০২৫-২৬ লৈ)**

**মাজবাম যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

জুন, ২০১৭

Office of the Divisional Forest Officer
Dibrugarh Division

Divisional Forest Officer
Dibrugarh Division

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ (GIS) | ভৌগোলিক তথ্য ব্যৱস্থা (জি অ'গ্ৰাফিকেল ইনফৰ্মেন ছিষ্টেম) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰৱন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কেজি (Kg) | কিলোগ্ৰাম |
| কে এম (Km) | কিলোমিটাৰ |
| এম টি (Mt) | মেট্ৰিক টন |
| এন জি অ' (NGO) | বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা (নন গৱৰ্ণমেণ্টল অৰ্গেনাইজেচন) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| এন ডব্লিউএফপি (NWFP) | কাঠ ভিন্ন উৎপাদন (নন উড ফৰেষ্ট প্ৰডাক্ট) |
| পি ডি এছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা ( পাবলিক ডিষ্ট্ৰিবিউচন ছিষ্টেম) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| আৰ জি পি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ এছ (RS) | ভাৰতীয় টকা (ইণ্ডিয়ান ৰুপিজ) |
| এছ এইচ জি (SHG) | আত্মসহায়ক গোট (ছেলফ হেল্প গ্ৰুপ) |
| ভিচিডিচি (VCDC) | গাঁও পৰিষদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটী) |

# যুটীয়া বন পৰিচালনা সমিতি
## ডিব্ৰুগড় বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

**সূচীপত্ৰ**


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | |
| ৩ | জীৱিকা বিশ্লেষণ— ৰূপৰেখা আৰু আহিলা | |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | |
| ৫ | বন উন্নয়ন পৰিকল্পনা | |
| ৬ | পৰিশিষ্ট তালিকা | |

## ক। ভূমিকা

| | |
|---|---|
| **কম্পেল'ৰ প্ৰকল্প সম্পৰ্কে (ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট,** COMPELO) ঃ | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সু-সংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাৰপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **মাজবাম জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ ডিব্ৰুগড় জিলাৰ ডিব্ৰুগড় মহকুমাৰ অধীনস্থ নামডাং সংৰক্ষিত বনাঞ্চলৰ উত্তৰ-পূব অংশত অৱস্থিত মাজবাম বনাঞ্চল গাঁও জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। দিহিংমুখ সংৰক্ষিত বনাঞ্চল ডিব্ৰুগড় সংমণ্ডলৰ খোৱাং বন আঞ্চলিকৰ অধীনস্থ নামদাংৰ উপলাট কাৰ্যালয়ৰ এক্তিয়াৰভুক্ত এলেকাত অৱস্থিত। জে এফ এম চিৰ সম্প্ৰদায়ৰ বিৱৰণ পৰৱৰ্তী অধ্যায়ত উল্লেখ কৰা হ'ল। |

| | |
|---|---|
| | বৰ্তমান ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলা সকলো সদস্যৰ অংশগ্ৰহণেৰে প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ এপ্ৰিল মাহত গুৱাহাটীৰ ইণ্ডিয়ান ইনষ্টিটিউ অব এণ্টাৰপ্ৰেনেয়ৰশ্বিপ (আই আই ই) বিষয়া আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত আই আই ইৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। |

## ২। মাজবাম জে এফ এম চিৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | ডিব্ৰুগড় বন সংমণ্ডলৰ খোৱাং আঞ্চলিকৰ অধীনস্থ নামডাং সংৰক্ষিত বনাঞ্চলৰ সীমামূৰীয়া এলেকাত অৱস্থিত এখন গাঁৱত বৰ্তমান বসবাস বাস কৰা সম্প্ৰদায়ক সামৰি লৈ যুটীয়া বন পৰিচালনা সমিতি গঠন কৰা হৈছে। উপৰ্যুক্ত জে এফ এম চি সামৰি লোৱা এলেকা ডিব্ৰুগড় জিলাৰ মৰাণ উন্নয়ন খণ্ডৰ অধীনত পৰে। পৰিশিষ্ট-I ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে। |
| **মূল তথ্য** | **জে এফ এম চিৰ মূল্য তথ্য তলত উল্লেখ কৰা হ'ল ঃ**<br>**তালিকা (ক) ঃ জে এফ এম চিৰ মূল তথ্য** (see table below)<br>**উৎস ঃ** জে এফ এম চি তথ্য আৰু ২০১৭চনৰ ৫ মে'ত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।<br>অতিৰিক্ত বৰ্ণনা তথ্য-I ৰ তালিকা-১ত প্ৰদান কৰা হৈছে। |

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | মাজবাম |
| **বসতিস্থান** | - |
| **ৰাজহ গাঁৱৰ নাম** | - |
| **গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম** | তিনঠেঙিয়া |
| **ৰাজহ চক্ৰ** | ডিব্ৰুগড় |
| **জিলা** | ডিব্ৰুগড় |
| **বন সংমণ্ডল** | ডিব্ৰুগড় |
| **বন আঞ্চলিক** | খোৱাং |
| **বন লাট** | ধাৰাচালি |
| **গঠনৰ বছৰ** | ২০০৩-০৪ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা হ'ল ঃ<br>উত্তৰে ঃ কাচগাঁও জে এফ এম চি<br>দক্ষিণে ঃ পান্ধুৱা জে এফ এম চি<br>পশ্চিমে ঃ বৰবিল জে এফ এম চি<br>পূবে ঃ নামডাং বনাঞ্চল |

<table>
<tr><td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ</td><td>মাজবাম যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ<br>
<table>
<tr><td>সভাপতিৰ নাম</td><td>ফণীন্দ্ৰ লুখুৰাখন</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>ধৰ্মেশ্বৰ কুটুম</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ৮</td></tr>
<tr><td></td><td>মহিলা ঃ ৩</td></tr>
<tr><td></td><td>মুঠ ঃ ১১</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>৩৮৯ (জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ একোজন প্ৰতিনিধি হিচাপে ৰখা হৈছে)</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ নথি</td></tr>
<tr><td>পৰিয়াল আৰু জনগাঁথনি</td><td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ৮৬টা। ইয়াৰে ৩৫টা পৰিয়াল বি পি এল (দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ) আৰু বাকী ৬৬টা পৰিয়াল হৈছে এ পি এল (দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ)<br><br>মুঠ জনসংখ্যা ৩৮৯জন। ইয়াৰে ১৮৬জন পুৰুষ আৰু ২০৩ গৰাকী মহিলা সদস্য। গাঁৰৰ অধিকাংশ লোক অ' বি চি সম্প্ৰদায়ৰ আৰু সামান্য কিছুসংখ্যক অনুসূচিত জনজাতি সম্প্ৰদায়ৰ।<br><br>উপৰোক্ত তথ্যৰ অধিক বিৰৰণৰ বাবে তথ্য-(I)ৰ তালিকা-২ চাব পাৰে।<br><br>ইয়াৰ পৰা জনা যায় যে ঃ<br><br>১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৪.৫<br><br>২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ১০৯১গৰাকী মহিলা।</td></tr>
<tr><td>শিক্ষা আৰু দক্ষতা উন্নয়ন</td><td>জনসংখ্যাৰ ৮০ শতাংশৰো অধিক লোক সাক্ষৰ। সম্প্ৰদায়ৰ অধিকাংশ সদস্যই স্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰছে। আনহাতে, তুলনামূলকভাৱে নগণ্যসংখ্যক পৰিয়ালৰ সদস্যই মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰিছে।<br><br>বিভিন্ন ক্ষেত্ৰত গাঁওবাসীয়ে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক- দুই ধৰণৰেই জীৱিকাৰ দক্ষতা আহৰণ কৰিছে। জে এফ এম চি এলেকাত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে আহৰণ কৰা দক্ষতা। লোকৰ তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে ঃ<br><br>ক) কৃষি<br><br>খ) বয়ন<br><br>গ) বাঁহ আৰু বেতৰ শিল্প</td></tr>
</table>

| | |
|---|---|
| | সমগ্র দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। এনে কোনো আঁচনিৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই। |
| **মাটিৰ প্ৰকাৰ** | প্ৰকল্প এলেকাৰ মাটি এনেধৰণৰ ঃ<br>■ নিম্ন এলেকাত পলসুৱা (বোকামাটি) আৰু সযতন এলেকাত (বালিচহীয়া) মাটি।<br>এলেকাৰ মাটি সাৰুৱা আৰু শাক-পাচলিকে ধৰি বিভিন্ন প্ৰকাৰৰ কৃষি শস্যৰ বাবে উপযোগী। |
| **পানী** | এলেকাটোত কোনো ডাঙৰ নদী বা জলধাৰা নাই। |
| **জলবায়ু ঃ**<br>**উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা ৩৮ ডিগ্ৰী চেলচিয়াছ হয়গৈ।। শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ১০-১১ ডিগ্ৰী চেলচিয়াছ।<br>প্ৰতিবছৰে বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ২৫০০-৩০০০ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন-আগষ্ট) সাধাৰণতে দুই তৃতীয়াংশ বৃষ্টিপাত হয়। বাৰিষাৰ মাহবিলাকত আৰ্দ্ৰতাৰ পৰিমাণ উচ্চ হাৰত (৯০ শতাংশৰো অধিক) বাঢ়ি যায় আৰু শীতকালত আৰ্দ্ৰতাৰ হাৰ নিম্ন (৩০ শতাংশৰো তলত)। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহক সাধাৰণভাৱে পলসুৱা সমতলীয় শাল বনাঞ্চল পূৰ্বাঞ্চলীয় ভৌগোলিক শাল বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। প্ৰধান প্ৰধান বৃক্ষ প্ৰজাতিবোৰ হৈছে ঘোঁৰানিম, কৰৈ, আজাৰ, ভেলকৰ, ঢেকীয়া, জাৰমণি বন। এই বনাঞ্চলবোৰত কাঠভিন্ন বনজ উৎপাদন হিচাপে বিভিন্ন প্ৰজাতি, যেনে মচলা, শাক-পাচলি, ঢেকীয়া, ভেষজ উদ্ভিদ, বাঁহ, খেৰ, পশুখাদ্য আদি উৎপাদন কৰিব পাৰি।<br>এই বিষয়ত অতিৰিক্ত বিতং তথ্য ‘বন উন্নয়ন পৰিকল্পনা’ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নলিখিত ধৰণৰ ঃ<br>শস্য পথাৰ ঃ<br>বৃক্ষাচ্ছাদিত ভূমি ঃ<br>বসতি স্থান ঃ<br>জলাশয় ঃ (পানী আৱদ্ধ হৈ থকা এলেকাসহ)<br>অনূৰ্বৰ / পতিত ভূমি ঃ অন্যান্য |
| **ভূমি মালিকানাৰ ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি মালিকানাৰ ধৰণ **তথ্য-(I)**ৰ **তালিকা-৩**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ১৩ শতাংশ পৰিয়াল ভূমিহীন<br>■ ৬৭ শতাংশ পৰিয়াল উপান্ত কৃষক (অৰ্থাৎ ২ হেক্টৰতকৈ কম ভূমি)<br>■ ২০ শতাংশ পৰিয়াল ক্ষুদ্ৰ খেতিয়ক (২-১০ হেক্টৰ) |

| | |
|---|---|
| **পশুধন** | মাজবাম যুটীয়া বন পৰিচালনা সমিতিৰ মুঠ পশুধনৰ সংখ্যা হৈছে ১,৪০৫টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গাইগৰু ঃ ২৬০টা<br>ছাগলী ঃ ৪৩০টা<br>গাহৰি ঃ ২৮৫টা<br>হাঁহকুকুৰা ঃ ৪৮০টা<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৰৰণ **তথ্য-(I)**ৰ **তালিকা-৪**ত দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ স্থিতিশীল উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)**ৰ **তালিকা-৫**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>এই তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>**বস্তুগত আন্তঃগাঁথনি ঃ** বসতিস্থান, পকীপথ, বিদ্যুৎ, পানীযোগান, মোবাইল নেটৱৰ্ক আদি মৌলিক বস্তুগত আন্তঃগাঁথনিৰ পৰা বঞ্চিত।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** শিক্ষাগত আৰু স্বাস্থ্য ব্যৱস্থা অত্যন্ত নগণ্য। ৰাজহুৱা পৰিবহণ উপলব্ধ যদিও সম্প্ৰদায়ৰ সদস্যসকলে আশেপাশে যাতায়াতৰ বাবে চাইকেল ব্যৱহাৰ কৰিবলগীয়া হয়।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ যেনে আৰক্ষী থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ কাৰ্যালয়, বনাঞ্চলিক কাৰ্যালয় আদি গাঁওখনৰ পৰা যথেষ্ট দূৰৈত (৬-৮ কিঃমিঃ দূৰত্ব)। বসতি স্থান বা নিকটৱৰ্তী এলেকাৰ পৰা নিয়মিত ৰাজহুৱা পৰিবহণ উপলব্ধ নোহোৱাৰ ফলত গাঁওবাসীৰ সমস্যা বহুগুণে বাঢ়িছে।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক আৰু ডাকঘৰ আদি বিত্তীয় প্ৰতিষ্ঠানবোৰ গাঁৱৰ বসতিস্থানৰ পৰা যথেষ্ট দূৰৈত। ফলত সম্প্ৰদায়ৰ সদস্যসকলৰ বেংক একাউণ্ট বা ডাকঘৰৰ ছেভিংছ একাউণ্ট নাই। |
| **কৃষিশস্য** | মাজবাম যুটীয়া বন পৰিচালনা সমিতিৰ কৃষি শস্যৰ সবিশেষ **তথ্য-(I)**ৰ **তালিকা-৬**ত বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা তলৰ তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—<br>খাৰিফ শস্য ঃ ধান— শালি<br>ৰবিশস্য ঃ ঋতুকালীন পাচলি— ফুলকবি, বন্ধাকবি, আলু, সৰিয়হ, তিল আদি<br>অধিকাংশ শস্যৰ উৎপাদন বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |

| | |
|---|---|
| **শস্য উৎপাদনৰ পৰিমাণ** | মাজবাম যুটীয়া বন পৰিচালনা সমিতিত শস্যৰ উৎপাদন আৰু উৎপাদনৰ হাৰৰ সবিশেষ **তথ্য-(I)**ৰ **তালিকা-৭**ত উল্লেখ কৰা হৈছে।<br>গাঁৱৰ অধিকাংশ পৰিয়ালৰ সদস্যসকল ধান উৎপাদনত জড়িত।<br>উৎপাদিত শস্য আৰু ইয়াৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—<br>ক) ধান ঃ উৎপাদন ঃ ৪৩৫ কুইণ্টল; হাৰ ঃ ১৫ কুইণ্টল/হেঃ |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)**ৰ **তালিকা-৮**ত সন্নিৱিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্টাংশ<br>খ) পৰিয়ালৰ আৱাসৰ পেলনীয়া বস্তু<br>গ) উদ্বৃত্ত পাচলি<br>ঘ) চৰণীয়া পথাৰ<br>ঙ) বনাঞ্চল |
| **বজাৰ** | মাজবাম যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **তথ্য-(I)**ৰ **তালিকা-৯**ত উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ গাঁৱৰ ভিতৰত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৮ কিলোমিটাৰ দূৰৈত খোৰাঙত<br>গ) প্ৰধান বজাৰ ঃ ৮ কিলোমিটাৰ দূৰৈত মৰাণত। |
| **জলসম্পদ** | **তথ্য-(I)**ৰ **তালিকা-১০**ত জলসম্পদৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) টিউবৱেল (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰজুৰি)<br>খ) নদী (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰজুৰি)<br>গ) জলধাৰা (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰজুৰি)<br>ঘ) কুঁৱা (পানীৰ পৰ্যাপ্ত ঃ গোটেই বছৰজুৰি)<br>ঙ) টিউবৱেল (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰজুৰি) |
| **শক্তিৰ ব্যৱহাৰ** | মাজবাম যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)**ৰ **তালিকা-১১**ত উল্লেখ কৰা হৈছে।<br>ক) কাঠ-খৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৭৫টা, সম্পূৰ্ণভাৱে গোটেই বছৰ ধৰি, উৎস ঃ বনাঞ্চল, ৰোপণ<br>খ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১১টা |

| | |
|---|---|
| আৰ্থ-সামাজিক স্থিতি | **সামাজিক গাঁথনি ঃ** গাঁওখনত জনজাতি আৰু অজনজাতি সম্প্ৰদায়ৰ লোকে বসবাস কৰে। অজনজাতি সম্প্ৰদায়ৰ ভিতৰত আছে অ' বি চি আৰু অনুসূচিত জাতিৰ লোক। গাঁওখনত সামাজিক বিভাজন গভীৰ নহয়। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। জীৱিকাৰ প্ৰধান উপায়বোৰ হৈছে চাহ, নাৰ্চাৰী আৰু ধানৰ খেতি আদি। গাঁওবাসীৰ বাৰ্ষিক গড় উপাৰ্জন ৪৮,০০০ টকাৰ পৰা ২,০০,০০০ টকালৈকে।<br>গাঁওখনৰ পৰা ব্যাপক হাৰত যুৱকসকলৰ বহিৰ্গমন ঘটা নাই আৰু অন্যান্য জীৱিকাৰ বাবেও যোৱা নাই।<br>অতিৰিক্ত তথ্য পৰৱৰ্তী অধ্যায়ত দিয়া হৈছে। |
| মানচিত্ৰ | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-Iত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ |

## ৩। জীৱিকা সম্পদৰ বিশ্লেষণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ আই আই ইৰ দলে পি আৰ এ অনুশীলন সম্পন্ন কৰে। ইয়াৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ<br>**তাৰিখ** ঃ ৫ মে' ২০১৭, **স্থান** ঃ গাঁৱৰ প্ৰাথমিক বিদ্যালয়<br>**উপস্থিতি লোকৰ সংখ্যা** ঃ ৩০<br>**উপস্থিত থাকে** ঃ জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মচাৰী আদি। |
| **পি আৰ এৰ উদ্দেশ্য** | বৰ্তমান পৰিয়ালসমূহৰ অৱস্থা সম্পৰ্কে অধ্যয়ন আৰু সম্প্ৰদায়ৰ জীৱিকা উন্নয়ন আৰু বনাঞ্চল উন্নয়নৰ কাৰণে অন্যান্য প্ৰাথমিক তথ্য সংগ্ৰহ কৰাই আছিল এই অনুশীলনৰ উদ্দেশ্য। |
| **পি আৰ এৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিল** | বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু তথ্য সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে ঃ<br>সামাজিক মানচিত্ৰায়ন<br>সম্পদৰ স্থানাংক নিৰ্ধাৰণ<br>সময়কালীন সমীক্ষা<br>জীৱিকাৰ ঋতুকাল |

<table>
<tr><td></td><td>ভেন ডায়েগ্ৰাম<br>পৰিশিষ্ট-৩ত ওপৰৰ বিষয়বোৰ সম্পৰ্কে বিতং তথ্য দিয়া হৈছে।</td></tr>
<tr><td>স্থানাংক</td><td>তলত উল্লেখ কৰা মানৰ ভিত্তিত জীৱিকাৰ উপায় সম্পৰ্কীয় ৰূপৰেখাৰ বিশ্লেষণ কৰা হৈছে ঃ<br>* জীৱিকা আৰু দক্ষতা উন্নয়ন<br>* প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>পৰিশিষ্ট-৩ত ওপৰৰ বিষয়বোৰ সম্পৰ্কে বিতং তথ্য দিয়া হৈছে। এই বিষয় এনে ধৰণৰ ঃ<br>১। কৃষি<br>২। ধূপকাঠি<br>৩। বয়ন/আধুনিক যন্ত্ৰপাতিৰে হস্ততাঁত<br>৪। গধুৰ মটৰ/জে চি পি চালক<br>৫। বাঁহৰ সামগ্ৰী উৎপাদন</td></tr>
<tr><td></td><td>ই পি এৰ স্থানাংক
<table>
<tr><th>স্থানাংক অনুসৰি গাঁৱৰ ই পি এ</th><th>বিতং বিৱৰণ (পৰিশিষ্ট-৩ত অতিৰিক্ত তথ্য দিয়া হৈছে)</th><th>ধনৰ সম্ভাব্য উৎস /বিভাগ</th></tr>
<tr><td>১ গাঁৱৰ পথ</td><td>৪ কিলোমিটাৰ</td><td>এ পি এফ বি চি / পি ডব্লিউ ডি পি এম জি এছ ৱাই / এম এনৰেগা / ডি আৰ চি এ</td></tr>
<tr><td>২ ৰাজহুৱা সভাঘৰ</td><td>অসম্পূৰ্ণ ৰাজহুৱা সভাঘৰৰ নিৰ্মাণ</td><td>এ পি এফ বি চি</td></tr>
<tr><td>৩ তম্বুঘৰ</td><td>চকী আৰু বাচন আদি সহ কমেও এটা তম্বুঘৰ</td><td>এ পি এফ বি চি</td></tr>
<tr><td>৪ বজাৰ চৌহদ (কমপ্লেক্স</td><td>দহটা কোঠাৰ বজাৰ চৌহদ স্থাপন</td><td>এ পি এফ বি চি</td></tr>
<tr><td>৫ জিৰণি ঘৰ</td><td>জে এফ এম চিৰ প্ৰৱেশ স্থানৰ ওচৰত এটা জিৰণি ঘৰ নিৰ্মাণ</td><td>এ পি এফ বি চি</td></tr>
</table></td></tr>
</table>

| | |
|---|---|
| **জীৱিকাৰ সুযোগ সুবিধা** | জীৱিকাৰ সুবিধাসমূহ তলত দিয়া হ'ল ঃ<br>* কৃষি আৰু উদ্যানশস্য<br>* পশুপালন<br>* এন টি এফ পি<br>* দক্ষতা উন্নয়ন<br>* ঋণৰ ব্যৱস্থা<br>ওপৰত উল্লিখিত বিষয়বোৰ সম্পৰ্কে অধিক আলোচনা তলত দিয়া হৈছে। |
| **কৃষি আৰু উদ্যান শস্য** | কৃষি আৰু উদ্যানশস্যৰ বিষয়ে সুযোগ-সুবিধাৰ তথ্যসমূহ নথি ঃ ২ৰ **পৰিশিষ্ট-১২**ত দিয়া হৈছে।<br>**প্ৰধান প্ৰধান বাধাবোৰ ঃ**<br>ক) কম উৎপাদন<br>খ) মজুতকৰণ আৰু প্ৰক্ৰিয়াকৰণ<br>গ) বিপণন<br>**সুযোগসমূহ ঃ**<br>ক) বাৰ্ষিক শস্যচক্ৰৰ বৃদ্ধি<br>খ) ইউনিট সংগ্ৰহ, পেকেজিং<br>গ) বিপণনযোগ্য উৎপাদিত সামগ্ৰীৰ বাবে প্ৰাতিষ্ঠানিক সংযোগ<br>পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ হৈছে ঃ<br>* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী।<br>* কীট-পতংগ নাশক, সংকৰ প্ৰজাতিৰ শস্য খেতি আদি বিষয়ত প্ৰশিক্ষণ<br>* জলসিঞ্চন<br>* ঋণৰ সুবিধাসমূহ |
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত দিয়া হৈছে।<br>**প্ৰধান প্ৰধান বাধাবোৰ ঃ**<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশুখাদ্য ক্ৰয়ৰ অক্ষমতা<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টাংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰ ধৰি সেউজ পশুখাদ্য পাবলৈ নাই।<br>গ) কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>ঘ) যথোপযুক্তভাৱে পশুপালনৰ বিষয়ে জ্ঞানৰ অভাৱ। |

| | |
|---|---|
| | **সুযোগসমূহ ঃ**<br>ক) পশুপালনৰ জৰিয়তে অধিক উপাৰ্জন<br>খ) পশুধনৰ পৰা উৎপাদন কৰা সামগ্ৰী, যেনে গাহৰিৰ মাংস, কুকুৰাৰ মাংস, কণী আদিৰ স্থানীয় বজাৰত বিপুল চাহিদা।<br>**পৰামৰ্শত দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) অধিক উৎপাদনশীল প্ৰজাতিৰ গাহৰি পালন<br>খ) হাঁহ-কুকুৰা পালন<br>গ) দুগ্ধ উৎপাদন<br>ঘ) মীন পালন |
| **কাঠ ভিন্ন বনজ উৎপাদন (এন টি এফ পি)** | এন টি এফ পিৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তালিকা-১৪**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) এন টি এফ পিৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে পৰ্যাপ্ত জ্ঞানৰ অভাৱ<br>খ) কাৰিকৰী জ্ঞানৰ ব্যৱস্থা নাই।<br>গ) প্ৰক্ৰিয়াকৰণ গোট নাই।<br>**সুযোগসমূহ ঃ**<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা<br>খ) সংগ্ৰহৰ জৰিয়তে জীৱিকাৰ উপায় সৃষ্টি<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) খাদ্য উদ্ভিদ, পশুখাদ্য আদি ৰোপণ<br>খ) ভেষজ উদ্ভিদ আদি |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তালিকা-১৫**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) বিবিধ প্ৰকাৰ উৎপাদনৰ অভাৱ<br>খ) উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) পৰম্পৰাগত দক্ষতা যেনে মুগা-পাট বা ৰেচম আদিৰ জ্ঞান<br>খ) পৰ্যাপ্ত কৰ্ম কেন্দ্ৰ<br>গ) পৰ্যাপ্ত কৰ্মশক্তি<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>* আধুনিক যন্ত্ৰপাতি, সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* দক্ষতাৰ উন্নতকৰণ আৰু নতুন উৎপাদনৰ বিকাশ আৰু বিবিধ প্ৰকাৰৰ উৎপাদনৰ বাবে প্ৰশিক্ষণ<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান |

| | |
|---|---|
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত নথি-২ৰ **তালিকা-১৬ত** আলোচনা কৰা হৈছে<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ ঃ**<br>ক) বিত্তীয় অন্তৰ্ভুক্তি<br>খ) অসংগঠিত ঋণদাতাসকল জড়িত<br>গ) ঋণ পৰ্যালোচনাৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) পৰ্যাপ্ত সজাগতা<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) বিত্তীয় অন্তৰ্ভুক্তিৰ উদ্যোগ গ্ৰহণ |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>**১) কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী, কীটনাশক, পতংগ নাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>**২) পশুধন ঃ** হাঁহ-কুকুৰা আৰু গৰু-ম'হ-ছাগলী, গাহৰি আদি পালন আৰু প্ৰজনন।<br>**৩) এন ডব্লিউ এফ পি ঃ** বিভিন্ন প্ৰকাৰৰ খাদ্য-উদ্ভিদ, ভেষজ উদ্ভিদ আদিৰ খেতি।<br>**৪) বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সুঁজলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু সামগ্ৰী উৎপাদনসহ আন বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰতিষ্ঠানিক ক্ৰেতাসকলৰ সৈতে উৎপাদিত সামগ্ৰীৰ বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>**৫) ঋণৰ ব্যৱস্থা ঃ** নিকটৱৰ্তী এলেকাত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |
| **৪। জীৱিকা উন্নয়ন পৰিকল্পনা** | |
| **উপাৰ্জন বৃদ্ধিৰ কাৰ্যসূচী** | জে এফ এম চিৰ বাবে পৰিকল্পনা কৰা মূল উপাৰ্জন সৃষ্টি কাৰ্যসূচীসমূহ হ'ল ঃ<br>**কৃষি খণ্ড ঃ**<br>১) হাঁহ-কুকুৰা আৰু গাহৰি<br>২) কৃষি<br>৩) উদ্যানশস্য<br>৪) মৌপালন<br>৫) মুগা-পাট (ৰেচম)<br>**কৃষি বহিৰ্ভূত খণ্ড ঃ**<br>১) হস্ততাঁত / বয়ন<br>২) গধুৰ মটৰ চলোৱা<br>৩) ইলেক্টিচিয়ান<br>উৎস ঃ নথি ৪ত তালিকা ৩২ |
| **আত্মসহায়ক গোটৰ কৰ্মসূচী** | গাঁওখনৰ আত্মসহায়ক গোটবোৰে তলৰ কৰ্মসূচী সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ<br>১) উদ্যমিতা সম্পৰ্কে সজাগতা সৃষ্টি<br>২) যুটীয়া দায়বদ্ধ গোট সংগঠিত কৰা আৰু গঠন কৰা (জে এল জি)<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ<br>**উৎস ঃ** নথি-৪ৰ **তালিকা-৩৩ত**। |

| | |
|---|---|
| **শিক্ষামূলক ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>১)       শিক্ষামূলক ভ্ৰমণৰ আৱশ্যক হোৱা নাই<br>**উৎস ঃ** নথি-৪ৰ **তালিকা-৩৪**ত। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি।<br><br>ক) ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি- গ্ৰামীণ নিয়োগৰ বাবে<br><br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)- কৃষি আৰু কৃষিজাত উন্নয়নৰ বাবে<br><br>গ) স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা (SJGSY)-জলসিঞ্চন আৰু জলচ্ছেদ উন্নয়নৰ বাবে<br><br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান<br><br>ঙ) দক্ষতা উন্নয়ন আঁচনি<br><br>চ) শিক্ষা, ৰেচম, পশু চিকিৎসা, জলসিঞ্চন, উদ্যোগ আৰু মীন পালন বিভাগসমূহৰ পৰা সাহায্য<br><br>ছ) গ্ৰামীণ উন্নয়ন আৰু জীৱিকাৰ বাবে উপযুক্ত অন্যান্য আঁচনি<br><br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণৰ পৰৱৰ্তী কালতো সহায় কৰিব। |

## ৫। বন উন্নয়ন পৰিকল্পনা

মাজবাম জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক স্থিতিশীল ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

মাজবাম জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/ৰোপণৰ বাবে নিৰ্ধাৰিত সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফ'ৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, মাজবাম জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ মাজবাম জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৰৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| (ক) ন্যস্ত বনাঞ্চল | | | | |
| আৰ এফ / পি এফ, নামঃ নামডাং | ৫৩<br>হেক্টৰ (ৰোপিত) | .৫ | ভাল এলেকা ঃ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ | - |
| (খ) অন্যান্য ৰোপিত এলেকা | | | | |
| | | .৫ | ভাল এলেকা ঃ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ | - |
| মুঠ | | | ভাল এলেকা ঃ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা ৩.১**/বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

১.২। **বনাঞ্চলৰ মাটিৰ প্ৰকাৰ ঃ**

মাজবাম জে এফ এম চিৰ বনাঞ্চলসমূহ ৰঙা মাটিযুক্ত এলেকাত অৱস্থিত। তলৰ তালিকাত এই বনভূমিৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ মাজবাম জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| স্থিতি মাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | উচ্চ | উচ্চ |
| ভূমি ক্ষয়ৰ অৱস্থা | নহয় | নহয় |
| উপস্থিতি ঃ<br>(ক) পলস | নাই | নাই |
| (খ) বোকামাটি | নাই | নাই |
| (গ) ন-উৰ্বৰ ভূমি | নাই | নাই |
| (ঘ) বালিচাহি | নাই | নাই |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ। বনভূমি প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

মাজবাম জে এফ এম চিৰ বাবে বনভূমিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) প্ৰকৃতিগতভাৱে সাৰুৱা ৰঙা মাটি

খ) সাম্প্ৰতিক অতীতত ভূমিক্ষয় হোৱা নাই

গ) পলস, বোকামাটিৰে আবৃত ভূমি, নতুনকৈ সৃষ্ট ভূমি বা বালিয়ৰি নাই।

১.৩। **বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

মাজবাম জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ আৰ্দ্ৰ পৰ্ণপাতী বৃক্ষৰ বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ মাজবাম জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বনজ প্ৰজাতি | | |
| সহযোগী প্ৰজাতি | ঘোঁৰানিম | আজাডিৰাচ্টা ইণ্ডিকা |
| | কৰৈ | আলবিজিয়া প্ৰ'চেৰা |
| | আজাৰ | লাগ্‌ৰছল্‌ৰুমিয়া স্পেচিয়া |
| | ভেলকৰ | ট্ৰেৱিয়া নিউডিফ্লোৰা |
| গুল্ম | ঢেকীয়া | ফাৰ্ণ |
| | জাৰমণি বন | আট্ৰোপা বোলাডোনা |
| ভেষজ উদ্ভিদ | - | - |
| উৎপাদন | - | - |
| যদি অন্য আছে | বাঁহ | বেম্বুছোইডিয়া |

**উৎস ঃ প্ৰফৰ্মা-৩, ‘গ। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ’**/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত মাজবাম জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ’ল ঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

মাজবাম জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ’ল ঃ

ক) জড়িত পৰিয়াল ঃ ৭৫

খ) জড়িত লোক ঃ ১৫০

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ প্ৰধান বৃক্ষ আৰু সহযোগী প্ৰজাতিৰ উদ্ভিদ ৰোপণ, ৰোপিত এলেকাত পশুচাৰণ নোহোৱা, সুৰক্ষা

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ নাই

(**উৎস ঃ প্ৰফৰ্মা-৩, ‘জে এফ এম চিৰ অৱস্থা**- viii + ix’ / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

### ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ’ল।

**তালিকা- ৪ (ক) ঃ মাজবাম জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কেনেকৈ চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | নিয়মীয়া | ৬-৭ কিঃ গ্ৰাঃ | কলম দিয়া | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | - | - | - | - |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| খুঁটা / বাঁহ | নিয়মীয়াভাৱে | ২-৩ টা/বছৰ | | বজাৰ, বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | নাই | - | - | - |
| এন টি এফ পি | নাই | - | - | - |
| অন্যান্য | - | - | - | - |

**উৎস ঃ প্ৰফৰ্মা-৩, ‘তালিকা-৩.২’**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

মাজবাম জে এফ এম চিত মুঠ ৭৫ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি মাজবাম গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ মাজবাম জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১০০০০০ | কাঠ খৰিৰ ব্যৱহাৰ |
| ঘৰৰ বাবে কাঠ | ৩০-৪০ ডাঙৰ কাঠৰ কুণ্ডা | |
| সজুঁলিৰ বাবে সৰু কাঠ | ৫০ সৰু- ডাঙৰ কাঠৰ কুণ্ডা | — |
| খুঁটা/বাঁহ | ৫০০ বাঁহ | বেৰ |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বেছিকৈ পোৱা নাযায় | - |
| এন টি এফ পি | বেছিকৈ পোৱা নাযায় | - |
| অন্যান্য | পোৱা নাযায় | - |

**উৎস ঃ ওপৰৰ তালিকা ৪, (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ অনুমানিক পৰিমাণ (তালিকা- ৪ (ক)×— ৭৫টা পৰিয়াল

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। মাজবাম জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ মাজবাম জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | শৰৎ / শীত | ১৫ | ১০০-১৫০ | - |
| ঘৰৰ বাবে কাঠ | শৰৎ / শীত | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | শৰৎ / শীত | — | — | — |
| বাঁহ | বছৰজুৰি | ৭৫ | ১০-১৫টা | ৰোপণ |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৩'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য**

**মাজবাম জে এফ এম চি**

| **বনজ উৎপাদনৰ নাম** | **উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ)** | **কেনেদৰে বিপণন কৰা হয়** | **বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয়** |
|---|---|---|---|
| কাঠখৰি | ১৫০০-২০০০ | স্থানীয় বজাৰত বিক্ৰী | ৫০০-৮০০ |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ১০০-১৫০টা বছৰজুৰি | - | ৫০০-১০০০ |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৪'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

**২.৪। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত মাজবাম জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ মাজবাম জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| **বনজ উৎপাদনৰ নাম** | **সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তালিকা-৪ (খ)ৰ পৰা** | **উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা** | **মুঠ চাহিদা (কিঃ গ্ৰাঃ)** |
|---|---|---|---|
| কাঠখৰি | ১০০০ | ৫০০ | ১৫০০ |
| ঘৰৰ বাবে কাঠ | - | - | - |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ/খুঁটা | ১৫০ টা | ১৫০ টা | ৩০০ টা |
| বনাঞ্চলৰ পৰা পশুখাদ্য | - | - | - |
| এন টি এফ পি | - | - | - |
| অন্যান্য— | — | — | — |

**উৎস ঃ** এই অধ্যায়ৰ **তালিকা-৪ (খ) আৰু ৫ (খ),** পৰৱৰ্তী পৃষ্ঠাসমূহত দিয়া হৈছে।

## ৩। বন সুৰক্ষা সংক্ৰান্ত বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

মাজবাম জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ মাজবাম জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনীভাৱে কাঠকটা | হয় | হয় |
| কাঠৰ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | হয় | হয় |
| ঔষধি গছৰ চুৰি | হয় | হয় |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৫'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক) স্থানীয় পশু চাৰণ

খ) বেআইনীভাৱে বন ধ্বংস

### ৩.২ বনাঞ্চলৰ ক্ষতিৰ কাৰণ সমূহ

মাজবাম জে এফ এম চিত বনাঞ্চলৰ ক্ষতিসাধনৰ কাৰণবোৰ তলত উল্লেখ কৰা হ'ল ঃ

ক) বেআইনীভাৱে বন ধ্বংস

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

**মাজবাম** জে এফ এম চিত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্ছাৰী উন্নয়ন, ব্যৱস্থাপনা আৰু অতিৰিক্ত ক্ৰিয়া।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— মাজবাম জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ মাজবাম জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
